# মূখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্য্যালয় :: ধেমাজী

**ন্যায়িক বিষয়া আৰু কৰ্মচাৰী সকলৰ বৈঠক তাং- ৩০/০৭/২০১৮**

## কাৰ্য্যবিৱৰণী

আজি ইং ৩০/০৭/২০১৮ তাৰিখে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং ২৪ ৰ হুকুম মতে ন্যায়িক বিষয়া আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ বৈঠক মূখ্য ন্যায়িক দণ্ডাধীশৰ সভাপতিত্বত অনুষ্ঠিত হয়। মূখ্য ন্যায়িক দণ্ডাধীশৰ ভাষণেৰে আৰম্ভ হোৱা বৈঠকখনিত অন্য ন্যায়িক দণ্ডাধীশসকলৰ লগতে কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে। তেওঁৰ বক্তব্যত কৰ্মচাৰীসকলৰ অসুবিধাসমূহৰ লগতে সুপৰামৰ্শ আগবঢ়াবলৈ জনায়।

বৈঠকৰ আৰম্ভণিতে issue বিভাগৰ সহায়কে বিভাগৰ কামকাজ সম্পৰ্কে বক্তব্য আগবঢ়াই। তেওঁৰ বক্তব্যত issue কৰিব লগিয়া চমনসমূহত হোৱা বিসংগতি যেনে- তাৰিখ নিলিখা, গোচৰ নং নিলিখা, সমূহ দূৰ কৰি চমনসমূহ issue ৰ বাবে দিবলৈ অনুৰোধ জনায়।

মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ৰ নিৰ্দেশত অৱসৰ গ্ৰহণ কৰিবলগীয়া কাৰ্য্যালয়ৰ কৰ্মচাৰী হাইদৰ হুচেইনে তেওঁৰ মন্তব্যত কেনেদৰে নিষ্ঠা, দক্ষতা আৰু সুপৰিচন্নতাৰে কৰ্ম কৰিবলৈ কাৰ্য্যালয়ৰ সহকৰ্মীসকলক অনুৰোধ জনায়।

তাৰ লগতে মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে Technology ৰ জৰিয়তে গোচৰসমূহৰ disposal ত কিদৰে সহায় হ'ব পাৰি তাৰ ওপৰত সকলোকে পৰামৰ্শ আগবঢ়াবলৈ জনায়। Voice recording, Video conference ৰ প্ৰয়োগ কৰিব পৰা যায় নেকি তাৰ ওপৰত দুই এজনে বক্তব্য দিয়ে।

ইয়াৰ পাছতে, Record Room ত কেতিয়াবা Bench Assistant এ Record বিছাৰিব লগীয়া সমস্যাৰ সৃষ্টি হয় বুলি অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে বিষয়টি বৈঠকত উত্থাপন কৰে। লগতে Record Room ত থকা Record সমূহৰ একোটাকৈ CD তৈয়াৰ কৰি আদালত সমূহত জমা দিবলৈ পৰামৰ্শ প্ৰদান কৰা হয় আৰু প্ৰয়োজনীয় Record সমূহ Record Room ৰ সহায়কক যোগান ধৰিবলৈ নিৰ্দেশ প্ৰদান কৰা হয়।

ইয়াৰ পাছতে অসম্পূৰ্ণ প্ৰতিলিপি আবেদন সমূহ অগ্ৰাহ্য কৰিবলৈ নিৰ্দেশ দিয়াৰ ওপৰিও PRC নম্বৰ সমূহ Case Diary ত লিখাৰ সম্পৰ্কে আলোচনা কৰা হয় আৰু Bench Assistant বা CIS Assistant ক PRC নম্বৰসমূহ লিখিবলৈ জনোৱা হয়।

আগন্তুক স্বাধীনতা দিৱস উদযাপন সম্পৰ্কে হোৱা আলোচনাত সমূহ কৰ্মচাৰীক উক্তদিনা উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়া হয়। লগতে স্বাধীনতা দিৱসটি সুচাৰুৰূপে উদযাপনৰ অৰ্থে ১৫ আগষ্টৰ আগত কাৰ্য্যালয়ৰ নাজিৰসহ ন্যায়িক দণ্ডাধীশসকলৰ এখন অনানুষ্ঠানিক বৈঠক অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

লক্ষীমপুৰত প্ৰশিক্ষণ গ্ৰহণ কৰিবলৈ যাব লগীয়া কৰ্মচাৰীসকলক Criminal Rules and Order কিতাপখন চাই যাবলৈ কাৰ্য্যালয়ৰ মূখ্য সহায়কে পৰামৰ্শ আগবঢ়ায়। লগতে তেওঁ লোক আদালতৰ Case Record সমূহ সহজে বাছি উলিয়াব পৰাকৈ পুনৰ এক পৰ্যায়ত ক্ৰমিক নম্বৰ দি লবলৈ পৰামৰ্শ দিয়ে।

ইয়াৰ পাছত দুই এজন কৰ্মচাৰীয়ে তেওঁলোকৰ ব্যক্তিগত অসুবিধাসমূহৰ বিষয়ে মন্তব্য আগবঢ়াই আৰু জলযোগেৰে বৈঠকখনি ভংগ হয়।

Furnish copy of Resolution to the interested employees.
4/8/18.

মূখ্য ন্যায়িক দণ্ডাধীশ
( ৰুপক ৰজক)

অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ
( অনুপ খানাল )

১ম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশ
(মনিকা মিচং)

১ম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশ
(নাজৰানা পাৰবিন ৰেহমান)